**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্যত ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে ক্ষমতাত থকা বিজেপিয়ে আজি সংকল্প পত্ৰ মুকলি কৰে। শক্তিশালী পঞ্চায়তীৰাজ-সমৃদ্ধিশালী অসমৰ প্ৰতিশ্ৰুতিৰে এই সংকল্প পত্ৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত মুকলি কৰা হয়। এই অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপৰি আন কেইবাগৰাকী মন্ত্ৰী-সাংসদ, দলীয় নেতা-কৰ্মী উপস্থিত আছিল। পঞ্চায়ত নিৰ্বাচনৰ বাবে এইবাৰ বিজেপিয়ে ৰাইজৰ বাবে ১৫টা প্ৰধান সংকল্প আগবঢ়াই দিছে। সেই অনুসৰি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত প্ৰতিটো বিধানসভা সমষ্টিত ৫ হাজাৰকৈ যুৱক-যুৱতীক বছৰি ২ লাখ টকা প্ৰদানৰ জৰিয়তে কৰ্ম সংস্থাপনমুখী কৰি তোলা হ'ব। প্ৰতিটো জিলা পৰিষদীয় সমষ্টিত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। মেট্ৰিক পৰীক্ষা দিবলগীয়া শিক্ষাৰ্থীসকলক প্ৰতিমাহে ৩০০ টকাকৈ আৰ্থিক অনুদান দিয়া হ'ব। ৰাইজক সকাহ দিয়াৰ বাবে প্ৰতিটো ৰন্ধন গেছ চিলিণ্ডাৰত অতিৰিক্ত ৰাজ সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্যৰ প্ৰতিটো সমষ্টিতে লাখপতি বাইদেউ আঁচনি সম্প্ৰসাৰণ কৰি মুঠ ৩০ লাখ মহিলাক ১০ হাজাৰ টকাৰ এককালীন সাহায্য দিয়াৰ ব্যৱস্থা কৰা হ'ব। দলটোৰে সংকল্প লোৱা অনুসৰি ৰাজ্যৰ চাহ বাগান অঞ্চলৰ বাট-পথ আৰু স্বাস্থ্য সেৱা উন্নত কৰি তোলা হ'ব। প্ৰতিখন জিলা পৰিষদৰ অধীনত এটাকৈ সামূহিক সেৱা কেন্দ্ৰ স্থাপন কৰা হ'ব। সংকল্প পত্ৰত দলটোৰে কৃষকসকলৰ বাবেও বিভিন্ন কল্যাণমূলক আঁচনি ঘোষণা কৰিছে।

ooooo

পথ আৰু দলঙৰ আন্তঃগাঁথনিয়ে বৰ্তমানৰ প্ৰয়োজন পূৰণ কৰাই নহয়, বৰং ভৱিষ্যত প্ৰজন্মৰ বাবেও বিকাশত অৰিহণা যোগায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় পথ কংগ্ৰেছে গুৱাহাটীত আয়োজন কৰা এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত অংশগ্ৰহণ কৰি কালি এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে পথ আৰু দলঙৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত দেশক উন্নয়নৰ দিশত আগুৱাই নিয়াৰ বাবে ভাৰতীয় পথ কংগ্ৰেছে দৃষ্টান্তমূলক কাৰ্যৰ নিদৰ্শন দেখুৱাই আহিছে। উন্নত যোগাযোগৰ জৰিয়তে ৰাজ্যখনৰ সৰ্বাংগীন বিকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি ড° শৰ্মাই উল্লেখ কৰে।। তেওঁ কয়, যে দীৰ্ঘম্যাদী পৰিকল্পনা, সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু গুণগত মান তথা স্বচ্ছতাত গুৰুত্ব দিয়াৰ বাবেই এনে সাফল্য সম্ভৱ হৈছে। বিশ্বমানৰ পৰিবহণ নেটৱৰ্ক গঢ়ি তুলি অৰ্থনৈতিক উন্নয়ন খৰতকীয়া কৰি তোলাৰ ব্যৱস্থা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooooo

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই কাইলৈ আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

000000

সকলোৰে বাবে জীৱনটো গোলাপৰ পাহিৰে সজোৱা বিচনাৰ দৰে নহয়। জীৱনত আছে বহু প্ৰত্যাহ্বান। ইয়াৰে কেতবোৰ প্ৰত্যাহ্বান জন্মগত আৰু আন কিছুমান আহে পৰৱৰ্তী কালত। এই প্ৰত্যাহ্বান নেওচিও কিদৰে সফলতাৰে জীৱন যাত্ৰাত আগুৱাব পাৰি, তাৰ কাহিনী লৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ২৭ এপ্ৰিল, দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত দুৰাৰোগ্য বুলি ভবা ৰোগৰ বিৰুদ্ধে যুদ্ধ কৰি আৰু শাৰীৰিক বাধাগ্ৰস্ততাকো নেওচি জীৱন যুদ্ধত জয়ী হোৱা কেইবাগৰাকীও লোকক পৰিচয় কৰাই দিয়া হ'ব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

সকলোৰে বাবে জীৱনটো গোলাপৰ পাহিৰে সজোৱা বিচনাৰ দৰে নহয়। জীৱনত আছে বহু প্ৰত্যাহ্বান। ইয়াৰে কেতবোৰ প্ৰত্যাহ্বান জন্মগত আৰু আন কিছুমান আহে পৰৱৰ্তী কালত। এই প্ৰত্যাহ্বান নেওচিও কিদৰে সফলতাৰে জীৱন যাত্ৰাত আগুৱাব পাৰি, তাৰ কাহিনী লৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ২৭ এপ্ৰিল, দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত দুৰাৰোগ্য বুলি ভবা ৰোগৰ বিৰুদ্ধে যুদ্ধ কৰি আৰু শাৰীৰিক বাধাগ্ৰস্ততাকো নেওচি জীৱন যুদ্ধত জয়ী হোৱা কেইবাগৰাকীও লোকক পৰিচয় কৰাই দিয়া হ'ব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বৰাকত নিৰ্বাচনী প্ৰচাৰ চলাব। ডঃ শৰ্মাই শ্ৰী ভূমি জিলাৰ নিলাম বজাৰত এখন জনসভাত অংশ লৈছে। ইয়াৰ পাছত তেওঁ হাইলাকান্দি আৰু শিলচৰত প্ৰচাৰ সভাত ভাগ ল'ব। কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰে কালি মানকাচৰৰ কুচনিমাৰা-জুৰদাঙা পঞ্চায়তত জিলা পৰিষদৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

পঞ্চায়ত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooo